# গণতন্ত্ৰ আৰু ইয়াৰ নীতিসমূহ

## পাঠ: 22

## অৰ্থনীতি আৰু ৰাষ্ট্ৰনীতি

১) প্ৰশ্ন : – ক) গণতন্ত্ৰৰ এটা নীতিৰ নাম লিখা ?

**উত্তৰঃ –** ভাৰতবৰ্ষ এখন গণতান্ত্ৰিক দেশ । বহুতো বিশিষ্ট ব্যক্তিৰ আশাসুধীয়া চেষ্টাৰ ফলত ভাৰতবৰ্ষত গণতন্ত্ৰ প্ৰতিষ্ঠা হৈছে । গণতন্ত্ৰত কিছুমান বিশেষ নীতি আছে । তাৰ ভিতৰত স্বাধীনতা সমতা ন্যায় , অধিকাৰ , চৰকাৰ গঠনত জনসাধাৰণৰ অংশগ্ৰহণ কৰাৰ সুযোগ আদি অন্যতম । এই নীতিবিলাকে এজন নাগৰিকৰ মুক্ত জীৱন যাপন কৰিবলৈ সুযোগ প্ৰদান কৰে ।

খ) যুগলহঁতে পূজাৰ বন্ধত কি ক্লাৱ খুলিলে ।

**উত্তৰঃ –** পূজাৰ বন্ধত যুগল , কুলজিৎ , থমাছ , ইকবালহঁতে আটায়ে মিলি এটা ক্ৰিকেট ক্লাৱ খুলিলে ।

২) প্ৰশ্ন : – ক) গণতন্ত্ৰৰ জনপ্ৰিয় হোৱাৰ কাৰণ কি ?

**উত্তৰঃ –** আমাৰ দেশৰ গণতন্ত্ৰ প্ৰতিষ্ঠা কৰিবলৈ দীঘলীয়া সংগ্ৰাম কৰিবলগীয়া হৈছিল । গণতন্ত্ৰ জনপ্ৰিয় হোৱাৰ কাৰণ হল — গণতন্ত্ৰত সকলোলোকে পোনপটীয়া অথবা আওপকীয়াকৈ দেশৰ শাসন ব্যৱস্থাত অংশগ্ৰহণ কৰিবলৈ সুবিধা পায় । গণতন্ত্ৰত পুৰুষ , মহিলা , ধনী , দুখীয়া সকলো লোকৰে ভোট দান কৰাৰ অধিকাৰ সমান । জনমত গঠন কৰি প্ৰতিনিধি নিৰ্বাচনৰ জৰিয়তে গণতান্ত্ৰিক চৰকাৰ গঠন কৰা হয় ।

খ) নাগৰিকৰ মৌলিক অধিকাৰ কেইটা আৰু কি কি ?

**উত্তৰঃ –** নাগৰিকৰ মৌলিক অধিকাৰ ৭ টা । সেইকেইটা হল —

১) সমতাৰ অধিকাৰ

২) স্বাধীনতাৰ অধিকাৰ

৩) শোষণৰ বিৰুদ্ধে অধিকাৰ

৪) প্ৰাথমিক শিক্ষাৰ অধিকাৰ

৫) ধৰ্মীয় অধিকাৰ

৬) সাংস্কৃতিক আৰু শিক্ষাৰ অধিকাৰ

৭) সাংস্কৃতিক প্ৰতিকাৰৰ অধিকাৰ ।

গ) তুমি দেশৰ কাৰণে কৰিব পৰা দুটা কৰ্ত্তব্যৰ বিষয়ে উল্লেখ কৰা ।

**উত্তৰঃ –** ৰাষ্ট্ৰৰ প্ৰতি নাগৰিকসকলৰ ১০ টা মৌলিক কৰ্তব্য আছে । ইয়াৰ ভিতৰত অন্যতম কৰ্তব্য দুটা হল –

(১) দেশৰ ৰাষ্ট্ৰীয় সংগীত আৰু পতাকাৰ প্ৰতি সন্মান দেখুওৱা । আৰু

(২) দেশখনক ৰক্ষা কৰা আৰু দেশৰ প্ৰতি সেৱা আগবঢ়োৱা আদি ।

ঘ) প্ৰাকৃতিক পৰিৱেশ সুৰক্ষিত কৰিবলৈ তোমালোকে কি কি কাম কৰিবা উল্লেখ কৰা ।

**উত্তৰঃ –** প্ৰাকৃতিক পৰিৱেশ সুৰক্ষিত কৰিবলৈ হলে আমি যধে মধে বনাঞ্চল ধ্বংস কৰা কাৰ্য্য প্ৰতিৰোধ কৰিব লাগিব । পাহাৰ, পৰ্বত কাটি উদ্যোগ, কল- কাৰখানা, ঘৰ বন্ধা কাম বন্ধ কৰিব লাগিব । গাঁও নগৰত গছ ৰোৱা কাৰ্য্য কৰিব লাগিব । প্ৰাকৃতিক দুৰ্যোগ বানপানী আদিৰ পৰা ৰক্ষা পাবলৈ নদীৰ গৰাখহনীয়া মাথাউৰী আদি নিৰ্মান কৰি বানপানী প্ৰতিৰোধ কৰিব লাগে । ইয়াৰ উপৰিও ৰাস্তা ঘাট , নদী নৰ্মদা, চাফা কৰি পৰিৱেশ সুস্থ কৰি ৰাখিব লাগিব ।

৩)প্ৰশ্ন :- খালী ঠাই পূৰ কৰা –

ক) আমি নিজৰ ৰাজ্যৰ বাহিৰে আমাৰ দেশৰ আন – মাটি কিনি ঘৰ সাজি থাকিব পাৰোঁ ।

**উত্তৰঃ –** আমি নিজৰ ৰাজ্যৰ বাহিৰে আমাৰ দেশৰ আন ৰাজ্যতো মাটি কিনি ঘৰ সাজি থাকিব পাৰোঁ ।

খ) শিশুৰ প্ৰাথমিক শিক্ষাৰ আইনখন – চনত কাৰ্যকৰী কৰা হয় ।

**উত্তৰঃ –** শিশুৰ প্ৰাথমিক শিক্ষাৰ আইনখন ২০১০ চনত কাৰ্যকৰী কৰা হয় ।

গ) ভাৰতবৰ্ষ এখন – দেশ ।

**উত্তৰঃ –** ভাৰতবৰ্ষ এখন গণতান্ত্ৰিক দেশ ।

৪) প্ৰশ্ন:- হেক্টৰৰ কাহিনীটো পঢ়ি কৃষ্ণত্ম শ্ৰেণীয়ে কি কি অধিকাৰৰ পৰা বঞ্চিত হৈছিল ?

**উত্তৰঃ –** আফ্ৰিকীয় মূলৰ লোকসকলৰ গাৰ বৰণ কলা হোৱাৰ বাবে তেওঁলোকক কৃষ্ণঙ্গ বোলা হৈছিল । হেক্টৰ আফ্ৰিকীয় মূলৰ এগৰাকী কৃষ্ণঙ্গ কিশোৰী আছিল । ইউৰোপীয় মূলৰ লোকসকলৰ গাৰ বৰণ কলা হোৱাৰ বাবে তেওঁলোকক শ্বেতাঙ্গ বোলা হৈছিল । শ্বেতাঙ্গসকলে চৰকাৰ গঠন কৰি শাসন কৰিছিল । কৃষ্ণঙ্গ কিশোৰ হেক্টৰ আৰু কৃষ্ণঙ্গ শ্ৰেণীয়ে ভোট দিয়াৰ অধিকাৰৰ পৰা বঞ্চিত হৈছিল । শাসকসকলে কৃষ্ণঙ্গ সকলৰ স্বাধীনতাত বাধা দিছিল । তেওঁলোকৰ বাবে বেলেগ ৰেলসেৱা, বাছ সেৱা, স্বাস্থ্য সেৱা আৰু সুকীয়া বিদ্যালয়ৰ ব্যৱস্থা আছিল । কৃষ্ণঙ্গ সকলে মাতৃভাষাৰ সমতাৰ বাবে আৰু বৰ্ণ বৈষম্যৰ বিৰুদ্ধে আন্দোলন কৰিব লগা হৈছিল ।

৫) প্ৰশ্ন :- আমি মৌলিক কৰ্তব্য কিয় পালন কৰিব লাগে ?

**উত্তৰঃ –** ভাৰতবৰ্ষ এখন গণতান্ত্ৰিক দেশ । আমাৰ সংবিধানে নাগৰিক সকলক কিছুমান অধিকাৰ দিছে সেইদৰে নাগিৰিক সকলৰো দেশৰ কাৰণে মৌলিক কৰ্তব্য আছে । দেশখনক ৰক্ষা কৰা আৰু প্ৰগতিৰ পথত আগবঢ়াই নিয়াৰ বাবে আমি মৌলিক কৰ্তব্য ১০ টা কৰিব লাগে । এইদৰে আমি ভাৰতৰ বিভিন্ন অঞ্চলৰ মানুহৰ মাজত ভাতৃত্ববোধ সৃষ্টি কৰি দেশৰ উন্নতিৰ পথত আগুৱাই নিব লাগে ।

৬) প্ৰশ্ন :- আমাৰ দেশৰ ৰাষ্ট্ৰীয় সংগীত আৰু জাতীয় সংগীত দুটা লিখা ।

**উত্তৰঃ –** আমাৰ দেশৰ ৰাষ্ট্ৰীয় সংগীটো ৰচনা কৰে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ ।

**ৰাষ্ট্ৰীয় সংগীত**

জন গণ মন অধিনায়ক জয় হে

ভাৰত ভাগ্য বিধাতা !

পঞ্জাৱ সিন্ধু গুজৰাট মাৰাঠা

দ্ৰাবিড় উৎকল বংগ

বিন্ধ্য হিমাচল যমুনা গঙ্গা

উচ্ছল জলধি তৰংগ ।

তব শুভ নামে জাগে ,

তব শুভ আশিস মাগে,

গাহে তব জয় গাথা ।

জন গণ মঙ্গল দায়ক জয় হে

ভাৰত ভাগ্য বিধাতা !

জয় হে জয় হে, জয় হে

জয় জয় জয়, জয় হে ।।

**আমাৰ দেশৰ জাতীয় সংগীটোৰ ৰচক হল – ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা ।**

**জাতীয় সংগীত**

অ' মোৰ আপোনাৰ দেশ

অ' মোৰ চিকুনি দেশ

এনেখন শুৱলা, এনেখন সুফলা,

এনেখন মৰমৰ দেশ !!

অ' মোৰ সুৰীয়া মাত !

অসমৰ সোৱদী মাত !

পৃথিৱীৰ কতো বিচাৰি জনমটো

নোপোৱা কৰিলেও পাত ।।

অ’ মোৰ ওপজা ঠাই !

অ’ মোৰ অসমী আই !

চাই লওঁ তোমাৰ মুখখনি এবাৰ

হেঁপাহ মোৰ পেলোৱা নাই ।